**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000
Date : 05-01-2026

**Time :** 1800 Hrs.

***Assamese Bulletin***
**HEADLINE**

০০০০০

১। ধেমাজি জিলাৰ গোগামুখত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কেইবাটাও পথৰ আধাৰশিলা স্থাপন।

২। বিজেপিৰ দেৱাল লিখন কাৰ্যসূচীৰ অংশ হিচাপে উজনিৰ কেইবাখনো জিলাত দলটোৰ সাংসদ-বিধায়ক আদিৰ অংশগ্ৰহণ।

৩। অহা ৩১ জানুৱাৰীৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰে APAAR পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা শিক্ষা বিষয়াসকলক ৰাজ্য চৰকাৰৰ নিৰ্দেশ।

আৰু

৪। সমাগত গণৰাজ্য দিৱস উদযাপনৰ বাবে শ্ৰীভূমি জিলাত বিশেষ প্ৰস্তুতি সভা।

০০০০০

ধেমাজি জিলাৰ গোগামুখত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কেইবাটাও পথৰ আধাৰশিলা স্থাপন কৰে। মন্ত্ৰী পেগুৱে ২০২৫-২৬ বৰ্ষৰ এছ্ অ' পি ডি জিৰ অধীনত নিৰ্মাণ, পুনৰনিৰ্মাণ কৰিবলগীয়া কেইবাটাও পথৰ আধাৰশিলা স্থাপন কৰি কয় যে পথসমূহৰ নিৰ্মাণ সম্পূৰ্ণ হ'লে সংশ্লিষ্ট অংশসমূহৰ জনসাধাৰণ উপকৃত হ'ব। এই পথসমূহৰ নিৰ্মাণ তথা পুনৰনিৰ্মাণত ২ কোটি ৯৮ লাখ টকা ব্যয় হ'ব। লোকনিৰ্মাণ বিভাগৰ ধেমাজি ক্ষেত্ৰীয় পথ সংমণ্ডলে এই পথ নিৰ্মাণৰ কাম সম্পন্ন কৰিব। মন্ত্ৰী ডাঃ পেগুৱে গোগামুখ-চিলিংপুৰ তিনিআলিৰ

পৰা ধলপৰীয়া সংযোগী পথ, ঢকুৱাখনা পথৰ পৰা নাহৰবাৰী ই এম ডি সংযোগী পুৰণা পাৰঘাট পথ, ডি কে ৰাজ্যিক ঘাইপথৰ পৰা সোঁৰণশিৰি ই এন ডিলৈ সংযোগী পথ, ঢকুৱাখনা পথৰ পৰা নাহৰবাৰী ই এন ডি সংযোগী নেৰাৰগাঁও পথ, গোগামুখ-ঘিলামৰা পথ আৰু ছহিদ গৌতম ৰাজবংশী ২ নম্বৰ কাৰ্পুনপুলি পথকে ধৰি মুঠ ছটা গুৰুত্বপূৰ্ণ পথৰ আধাৰশিলা স্থাপন কৰে।

ooooo

আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰস্তুতিৰ অংশ হিচাপে ৰাজ্যজুৰি আজি আৰম্ভ হোৱা বিজেপিৰ দেৱাল লিখন কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু দলৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই খানাপাৰাত শুভাৰম্ভ কৰে। দেৱাল লিখন সন্দৰ্ভত মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয় -

বাইট (চি এম)

গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিয়ে জালুকবাৰী সমষ্টিৰ বৰাগাঁৱত দলীয় বিষয়ববীয়া আৰু কাৰ্যকৰ্তাসকলৰ উপস্থিতিত এই দেৱাল লিখন কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত সাংসদগৰাকীয়ে দলৰ প্ৰতীক চিহ্ন পদুম ফুলৰ ছবি অংকন কৰে।

শোণিতপুৰত বিধায়ক পদ্ম হাজৰিকা আৰু গণেশ লিম্বুৰ নেতৃত্বত এই কাৰ্যসূচী আৰম্ভ হয়। ন-দুৱাৰত বিধায়ক পদ্ম হাজৰিকাই বিজেপিৰ মণ্ডল মুখ্য কাৰ্যালয়ত উপস্থিত থাকি দলীয় কৰ্মীসকলৰ সৈতে দেৱাল লিখন কাৰ্যসূচীত অংশ লয়। বৰছলা সমষ্টিৰ ঠেলামৰাত বিধায়ক গণেশ লিম্বুৰে নিজ হাতে দেৱালত দলীয় প্ৰতীক পদুম ফুল অংকন কৰি অভিযানৰ সূচনা কৰে।

বিজেপি দলে ঢকুৱাখনা জিলা কাৰ্য্যালয়ৰ লগতে ঢকুৱাখনা মণ্ডলৰ অন্তৰ্গত শিঙিয়া পঞ্চায়তত সুৰক্ষিত অসমৰ সংকল্পৰে দেৱাল লিখন কাৰ্য্যসূচী ঢকুৱাখনা সমষ্টিৰ বিধায়ক নৱ কুমাৰ দলেৰ লগতে জিলা সভাপতি স্বৰূপ কোঁৱৰ প্ৰমুখ্যে দলটোৰ কেইবাজনো বিষয়-ববীয়া তথা কৰ্মী উপস্থিত থাকে।

শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ অন্তৰ্গত বিজেপিৰ পাথাৰকান্দি মণ্ডলত বিধায়ক কৃষ্ণেন্দু পালে দলীয় প্ৰতীক চিহ্ন অংকণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত বিভিন্ন স্তৰৰ দলীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

ডিব্ৰুগড়ত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে দলীয় প্ৰতীক চিহ্ন দেৱালত অংকণ কাৰ্য্যসূচীৰ শুভাৰম্ভ কৰে।  মন্ত্ৰীগৰাকীয়ে অনুষ্ঠানত অংশগ্ৰহণ কৰি কয়, যে বিজেপি দলৰ প্ৰতি গৰাকী কৰ্মী সেৱা আৰু সমৰ্পণৰ প্ৰতি দায়বদ্ধ। অনুষ্ঠানত বিভিন্ন স্তৰৰ দলীয় বিষয়ববীয়াসকল উপস্থিত থাকে।

ooooo

সমাগত গণৰাজ্য দিৱস উদযাপনৰ বাবে শ্ৰীভূমি জিলাত আজি বিশেষ প্ৰস্তুতি সভা অনুষ্ঠিত হয়। শ্ৰীভূমি জিলাৰ জিলা আয়ুক্ত প্ৰদীপ কুমাৰ দ্বিৱেদীৰ সভাপতিত্বত অনুষ্ঠিত এই সভাত সমাগত গণৰাজ্য দিৱসৰ মুখ্য

অনুষ্ঠান শ্ৰীভূমিৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'ব বুলি সিদ্ধান্ত লোৱা হয়। সভাৰ আৰম্ভণিতে সহকাৰী আয়ুক্ত ৰূপক মজুমদাৰে বিগত বছৰৰ গণতন্ত্ৰ দিৱস উদযাপনৰ তালিকা পাঠ কৰে। সভাত গৃহীত নিয়মীয়া সিদ্ধান্তসমূহৰ উপৰি জিলা আয়ুক্তই এই বছৰ গণৰাজ্য দিৱস যথাযোগ্য মৰ্যাদাৰে উদযাপন কৰিবলৈ আৰু ইয়াক সফল কৰি তুলিবলৈ সকলোৰে স্বতঃস্ফূৰ্ত অংশগ্ৰহণ আৰু সহযোগিতা কামনা কৰে। ইয়াৰ লগতে গণৰাজ্য দিৱস উপলক্ষে শ্ৰীভূমি নগৰত পৰিস্কাৰ অভিযান চলাই নগৰখনৰ পৰিস্কাৰ-পৰিচ্ছন্নতা নিশ্চিত কৰিবলৈ পৌৰসভাৰ কাৰ্যবাহী অধিকাৰীক নিৰ্দেশ দিয়া হয়। একেদৰে জনস্বাস্থ্য কাৰিকৰী বিভাগক খোৱাপানীৰ ব্যৱস্থা আৰু স্বাস্থ্য বিভাগত চিকিৎসকৰ দলৰ ব্যৱস্থা কৰিবলৈ নিৰ্দেশ দিয়া হয়। সভাত অন্যান্য কাৰ্যসূচীৰ ভিতৰত পেৰেড আৰু মাৰ্শ্ব পাষ্ট, সাংস্কৃতিক অনুষ্ঠান, কৃতিমানসকলক সম্বৰ্ধনা চৰকাৰী অনুদান বিতৰণ, ৰক্তদান শিবিৰ, বি এছ এফৰ দ্বাৰা অস্ত্ৰ-শস্ত্ৰ প্ৰদৰ্শন, ছাত্ৰ-ছাত্ৰীৰ মাজত অংকন আৰু ৰচনা প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰিবলৈ আলোচনা কৰা হয়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অহা ১৭ আৰু ১৮ জানুৱাৰী তাৰিখে হ'বলগীয়া অসম ভ্ৰমণৰ পূৰ্বে আজি মন্ত্ৰী কেশৱ মহন্ত, নগাঁও জিলাৰ আয়ুক্ত দেৱাশীষ শৰ্মা, জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকা তথা জিলা প্ৰশাসন আৰু আৰক্ষী বিভাগৰ বিষয়াসকলৰ সৈতে সামগ্ৰিক প্ৰস্তুতিৰ বুজ লয়। নিৰ্ধাৰিত কাৰ্য্যসূচীৰ অংশ হিচাপে প্ৰধানমন্ত্ৰীয়ে ভ্ৰমণকালত কাজিৰঙাৰ প্ৰস্তাৱিত এলিভেটেড ক'ৰিডৰৰ আধাৰশিলা স্থাপন কৰাৰ লগতে এখন জনসভা সম্বোধন কৰিব। আজি মন্ত্ৰী শ্ৰীমহন্তই সংশ্লিষ্ট বিভাগৰ বিষয়াসকলৰ সৈতে এই স্থানত প্ৰাৰম্ভিক ব্যৱস্থাপনা তথা নিৰাপত্তা ব্যৱস্থা পৰ্য্যালোচনা কৰাৰ লগতে অনুষ্ঠানটো সুচাৰুৰূপে সম্পন্ন কৰিবলৈ সকলো পক্ষৰ সৈতে বিতংভাৱে আলোচনা কৰে।

ooooo

আজি ৰাষ্ট্ৰীয় পক্ষী দিৱস। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ জলাশয়সমূহ সম্প্ৰতি পৰিভ্ৰমী পক্ষীৰে ভৰি উঠা পৰিলক্ষিত হৈছে। শীতৰ আগমনৰ লগে লগে ৰাছিয়া, নেডাৰলেণ্ড, ইউৰোপৰ উপৰি হিমালয়ৰ পাদদেশৰ পৰা অহা পৰিভ্ৰমী পক্ষীসমূহে ৰাষ্ট্ৰীয় উদ্যানখন মনোমোহা কৰি তুলিছে। বিগত দুবছৰত কাজিৰঙাত স্প'ন বিল ডাক, পেইণ্টেড ষ্টকৰ দৰে ব্যতিক্ৰমী পক্ষীৰ আগমন পৰিলক্ষিত হৈছে। উল্লেখযোগ্য যে উদ্যানখনত লাহে লাহে বাঘৰ সংখ্যাও বৃদ্ধি হোৱা বুলি জানিব পৰা গৈছে। কঁহৰাৰ মিহিমুখ অঞ্চলত সোণালী বাঘৰ মুক্ত বিচৰণ প্ৰকৃতিপ্ৰেমীৰ কেমেৰাত আবদ্ধ হৈছে।

ooooo

সমাপ্ত